## কংগ্ৰেছ-অগপৰ নেতাৰে শক্তিশালী বিজেপি

বিজেপি দলে অগপ আৰু বি পি এফৰ সহযোগত নিৰ্বাচনী বৈতৰণী পাৰ হৈছিল যদিও পঞ্চায়ত নিৰ্বাচনে এই মিত্ৰতাত তিক্ততা অনাৰ সম্ভাৱনা দেখা গৈছে। বিশেষকৈ অসম আন্দোলনৰ জৰিয়তে জনজাগৰণ সৃষ্টিৰে জন্মলাভ কৰা অগপই পাছৰ পৰ্যায়ত শক্তিহীন হৈ পৰাৰ পাছত পুনৰ নিজৰ ভেটি সবল কৰিবলৈ সক্ষম হোৱা কাৰ্যই চিন্তিত কৰি তুলিছে বিজেপি দলক। পঞ্চায়ত নিৰ্বাচনক নিজৰ শক্তি প্ৰদৰ্শনৰ মাধ্যম হিচাপে দলটোৱে গ্ৰহণ কৰাৰ বিপৰীতে বিজেপিয়ে ইয়াক সন্মান ৰক্ষাৰ প্ৰশ্ন হিচাপে গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰিছে। ইপিনে বিটিএডিত সকলো দলকে অস্তিত্বহীন কৰাৰ হুংকাৰেৰে বি পি এফে নিজৰ ক্ৰমবৰ্ধমান ক্ষমতাৰ ইংগিত দিছে। তিনি মহাশক্তিয়ে কেনেদৰে নিজৰ মিত্ৰতাক ধৰি ৰাখি সোণোৱাল চৰকাৰৰ কাৰ্যকাল সম্পূৰ্ণ কৰে, সেয়া বৰ্তমান এক কোটিটকীয়া প্ৰশ্ন। লাহে লাহে নিজৰ পূৰ্বৰ স্থিতিলৈ উভতি অহা অগপই পুনৰ অসমবাসীক জাতীয়তাবাদৰ আৱেগেৰে পৰিচালিত কৰিবলৈ সমৰ্থ হোৱাটোৱে পৰৱৰ্তী বিধানসভা নিৰ্বাচনত দলটোৱে এককভাৱে চৰকাৰ গঠন কৰাৰ সম্ভাৱনীয়তাকো নুই কৰিব নোৱাৰি। বিজেপি দলৰ উগ্ৰ হিন্দুত্ববাদী নীতি আৰু কংগ্ৰেছৰ সীমাহীন দুৰ্নীতিক নাকচ কৰি অসমীয়া জনসাধাৰণে পুনৰ জাতীয় আৱেগক আঁকোৱালি লোৱাৰ সম্ভাৱনা যথেষ্ট উজ্জ্বল। এনে সময়ত বিপিএফৰ সৈতে অগপই পৰৱৰ্তী নিৰ্বাচনসমূহত মিত্ৰতা কৰাৰ সম্ভাৱনীয়তাকো নুই কৰিব নোৱাৰি। এনে পৰিস্থিতিত স্বাভাৱিকতে সৃষ্টি হৈছে এক প্ৰশ্নৰ— পঞ্চায়ত লোকসভা, পৰৱৰ্তী বিধানসভা নিৰ্বাচনত চৰম প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব নেকি বিজেপি? আজি পঞ্চায়ত নিৰ্বাচনৰ কুচকাৱাজেৰে বৰপেটা ৰোডৰ অগপৰ বিশাল সভাই ইয়াৰে প্ৰত্যক্ষ ইংগিত প্ৰদান কৰিছে। আজি বৰপেটা ৰোডৰ পৌৰসভা ময়দানত অনুষ্ঠিত দলটোৰ জন সমাৱেশত ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই কয় যে অগপ এক নিৰপেক্ষ দল। লগতে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে কয়— অসমত মিত্ৰজোঁট চৰকাৰ চলি আছে, কিন্তু এই মিত্ৰজোঁটৰ চৰকাৰত বিজেপিক কোনে শক্তিশালী কৰিছে? অসম গণ পৰিষদ দলৰ পৰা যোৱা, কংগ্ৰেছ দলৰ পৰা যোৱা তেওঁলোকে। আজি ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীজনো এই বৰপেটা ৰোড আঞ্চলিকৰ সম্পাদক আছিল ২০০১ চনৰ আগলৈকে, কিন্তু তেওঁ এতিয়া বিজেপি হৈ গ'ল। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও অসম গণ পৰিষদ দলত আছিল আৰু অগপ দলৰ ঠিক তেনেকৈ বহুত আছিল। কংগ্ৰেছ দলৰ বিজেপিলৈ অহা বহুত আছে। কিন্তু মিত্ৰগোটৰ দলো আমাৰ মতৰ অমিল হ'ব পাৰে, কাৰণ আজি গণ পৰিষদ এটা আঞ্চলিক ৰাজনৈতিক দল আৰু অগপ দলে সম্পূৰ্ণভাৱে ধৰ্মনিৰপেক্ষতাক বিশ্বাস কৰে। কাৰণ এইখন দেশৰ মহামানৱ মহাত্মা গান্ধীয়ে সেই কবিতা গাইছিল যে হিন্দু-মুছলিম-শিখ চাই আপচ মে ভাই ভাই। অগপৰ সৰভোগ সমষ্টিৰ উদ্যোগত তথা বৰপেটা জিলা সমিতিৰ সহযোগত আজি বৰপেটাৰোড পৌৰসভা ময়দানত বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন দাসৰ সভাপতিত্বত অনুষ্ঠিত অগপৰ গণ সমাৱেশত প্ৰায় ১০ হেজাৰাধিক অগপৰ দলীয় কৰ্মীসভাত ৰাইজৰ উপস্থিতিত ৰাজ্যৰ জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, কৃষিমন্ত্ৰী অতুল বৰা, বঙাইগাঁৱৰ অগপৰ বিধায়ক ফণী ভূষণ চৌধুৰী, প্ৰাক্তন সাংসদ কুমাৰ দীপক দাসকে আদি কৰি বহুকেইজন অগপৰ জ্যেষ্ঠ নেতা-নেত্ৰীয়ে এন আৰ চি তথা আগন্তুক পঞ্চায়ত নিৰ্বাচনত অগপ দলক অধিক শক্তিশালী কৰি জিলা পৰিষদ, গাঁও পঞ্চায়ত তথা ৱাৰ্ড পৰ্যায়ৰ প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা আগবঢ়াই জয়ী কৰাই ৰাজ্যত পঞ্চায়তসমূহ অগপৰ দখলৰ ওপৰত উপস্থিত থাকি ভাষণ প্ৰদান কৰে। আজি প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্তই স্পষ্টভাৱে অগপ আৰু কংগ্ৰেছ দলৰ নেতাৰ দ্বাৰা বিজেপি দল শক্তিশালী হৈছে বুলি কৰা মন্তব্যই অগপৰ শক্তি আৰু আত্মবিশ্বাসৰ পৰিচয় দাঙি ধৰিছে। যিটো দলে নিজক ৰাজনৈতিক দৌৰত চামিল কৰোৱাৰ বাবে বিজেপি দলক আঁকোৱালি ল'বলৈ বাধ্য হৈছিল, সেই দলটোৱে ৰাষ্ট্ৰীয় দলটোক প্ৰত্যাহ্বান জনোৱা কাৰ্যই স্পষ্ট ইংগিত দিছে যে বৰ্তমান অগপ শক্তিশালী নহয়। অসম চৰকাৰৰ দুগৰাকীকৈ গুৰুত্বপূৰ্ণ মন্ত্ৰীৰ উপস্থিতিত প্ৰাক্তন মুখ্যমন্ত্ৰী মহন্তৰ এই মন্তব্যই শাসকীয় দলৰ চিন্তাত পেলোৱাটো নিশ্চিত। আজিৰ সভাতেই কৃষিমন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাই আগন্তুক পঞ্চায়ত নিৰ্বাচনত অগপ দলে সৰ্বাধিক আসন লাভ কৰিব বুলি দৃঢ়তা প্ৰকাশ কৰে। নাগৰিকপঞ্জীৰ উন্নীতকৰণ সন্দৰ্ভত মতামত প্ৰকাশ কৰি তেওঁ ই শুদ্ধ হোৱা উচিত আৰু এই প্ৰক্ৰিয়াক বাধা দিব বিচৰা শক্তিক কঠোৰ হাতেৰে দমন কৰাৰ পোষকতা কৰে। ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতি উন্নত ৰাখি অসমত অনুপ্ৰৱেশ কৰা লোকক খেদি পঠিওৱা হ'ব বুলিও তেওঁ মন্তব্য কৰে। অসম চুক্তিৰ সফল ৰূপায়ণেৰে ৰাজ্যৰ অখণ্ডতা সুৰক্ষিত কৰি ৰখাৰ ওপৰতো গুৰুত্ব দিয়ে কৃষিমন্ত্ৰীগৰাকীয়ে। ইপিনে এই সভাতেই জলসিঞ্চন মন্ত্ৰী কেশৱ মহন্তই অসমত অসমীয়া ভাষাক অস্তিত্বহীন কৰাৰ বাবে ব্যাপক ষড়যন্ত্ৰ চলি থকাৰ অভিযোগ উত্থাপন কৰে। অগপৰ নেতৃত্বত জাতি-ধৰ্ম নিৰ্বিশেষে বৃহত্তৰ অসম স্থাপন হ'ব বুলিও তেওঁ মন্তব্য কৰে। কংগ্ৰেছ আৰু বামপন্থী দলসমূহে হিন্দু বাংলাদেশীক অসমত সংস্থাপিত কৰাৰ বাবেই এন আৰ চি প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰাৰো তেওঁ অভিযোগ উত্থাপন কৰে। আনহাতে আজি অগপৰ বিশাল গণ সমাৱেশৰ মাজতে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ উপস্থিতিতে কংগ্ৰেছ-এ আই ইউ ডি এফ তথা ভিন্ন জাতীয় সংগঠনৰ পৰা অহা প্ৰায় ৫ শতাধিক লোকে অগপ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে।

## প্ৰেয়সীক হত্যা কৰি ভৰলু নৈত

থকা ভাৰাঘৰলৈ নিছিল। সেই সময়ত গোবিন্দৰ মাতৃ-ভগ্নী ঘৰত নাছিল। পিতৃ ব্যৱসায় সূত্ৰে শিলিগুড়িত আছিল। প্ৰেমিক যুগলে একেলগে বহি চাহ খাইছিল। পিছত কিবা কথাত দুয়োৰে মাজত কাজিয়াৰ সূত্ৰপাত হৈছিল। এই কাজিয়াই হঠাতে হিংস্ৰ ৰূপ লৈছিল আৰু খঙত অগ্নিশৰ্মা হৈ গোবিন্দই স্বেতাক ঠেলা মাৰি দিছিল। পিতৃ ব্যৱসায়ী সূত্ৰে গোবিন্দৰ পৰিয়ালটো শিলিগুড়িলৈ স্থানান্তৰ হোৱাৰ কথা আছিল। গোবিন্দ সিংহালে স্বেতাক তেওঁৰ লগত লৈ যাবলৈ বিচাৰিছিল। ইয়াকে লৈ দুয়োৰে মাজত সৃষ্টি হৈছিল মতানৈক্য। আৰক্ষী আয়ুক্তৰ জনোৱা মতে গোবিন্দ সিংহালে দিয়া প্ৰেমৰ প্ৰস্তাৱ প্ৰথমাৱস্থাত গ্ৰহণ কৰা নাছিল মেধাৱী ছাত্ৰী স্বেতাই। পৰৱৰ্তী সময়ত স্বেতাই গোবিন্দ সিংহালৰ সৈতে সম্পৰ্ক গঢ়ি তুলিলেও দুয়োৰে মাজত মানসিক ব্যৱধান আছিল। আৰক্ষী আয়ুক্তগৰাকীয়ে গোবিন্দৰ স্বীকাৰোক্তিৰ ভিত্তিত কয় যে গোবিন্দই ঠেলা মাৰি দিয়াত ৰান্ধনি বেয়াকৈ খুন্দা খাইছিল স্বেতাৰ মূৰ। ফলত ৰক্তক্ষৰণ হৈছিল, হয়তো স্বেতাই বেয়াকৈ আঘাত পাইছিল। কেইছেকেণ্ডমান সময়ৰ ভিতৰতে স্বেতাৰ অচেতন অৱস্থাতে ঘটিছিল। নিয়তিৰ ওচৰত হাৰ মানি স্বেতাৰ মৃত্যু হৈছিল। আকস্মিকভাৱে ঘটি যোৱা ঘটনাত হিতাহিত জ্ঞান হেৰুৱাই গোবিন্দ সিংহালে স্বেতাৰ ৰক্তক্ষৰী মৃতদেহটো প্ৰথমতে বস্তাত ভৰাই চাইকেলেৰে লৈ গৈ ভৰলুত পেলাই দিয়াৰ কথা ভাবিছিল। কিন্তু ওচৰ-চুবুৰীয়াই যিহেতু স্বেতা গোবিন্দহঁতৰ ঘৰলৈ অহা সকলোৱে দেখিছিল, সেয়ে সিদ্ধান্ত সলনি কৰে আৰু বাথৰূমলৈ মৃতদেহটো লৈ গৈ কেৰাচিন ঢালি জ্বলাই দিয়ে। স্বেতাক হত্যা কৰা ঘটনাটোক আত্মহত্যাৰ ৰূপ দিবলৈ গোবিন্দই এই কাণ্ড সংঘটিত কৰিছিল। প্ৰথমাৱস্থাত ঘৰত নাথাকিলেও পিছত ঘৰলৈ অহা গোবিন্দৰ মাতৃয়ে এই শিহৰণকাৰী ঘটনা প্ৰত্যক্ষ কৰিছিল। উল্লেখ্য যে আৰক্ষীৰ আগত হত্যাকাৰী গোবিন্দই কোনো লুক-ঢাক নকৰাকৈ স্বীকাৰোক্তি দিছে। ইফালে ২০১৫ চনত বাণিজ্য শাখাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম স্থান দখল কৰা স্বেতা আগৰৱালৰ হত্যাকাৰীক ফাঁচি দিয়াৰ দাবীত আজি মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে এক প্ৰতিবাদী সমদল উলিয়ায়। মহাবিদ্যালয়খনৰ চৌহদৰ পৰা উপায়ুক্তৰ কাৰ্যালয়লৈ দীঘলীয়া প্ৰতিবাদী সমদলটোত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেও অংশগ্ৰহণ কৰে।

## দিল্লীৰ বৈঠকে লাভ কৰিলে চূড়ান্ত

প্ৰকাৰান্তৰে মান্যতা প্ৰদান কৰিলে বুলি হীৰেন গোহাঁয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। দিল্লীত অনুষ্ঠিত উক্ত দিনাৰ বৈঠকখন যে উদ্দেশ্যপ্ৰণোদিত নাছিল, বৰঞ্চ প্ৰাসংগিকতাহে আছিল আপাততঃ উচ্চতম ন্যায়ালয়ে কালি দিয়া ৰায়দানে তাকেই প্ৰতীয়মান কৰিলে বুলি ড° গোহাঁয়ে মন্তব্য কৰিছে। ইফালে জ্যেষ্ঠ অধিবক্তা নেকিবুৰ জামানে উচ্চতম ন্যায়ালয়ৰ ৰায়ক আদৰণি জনাই কয় যে এন আৰ চি সঠিকভাৱে শুদ্ধৰূপত উন্নীত হোৱাটো ভাৰতৰ সুৰক্ষাৰ স্বাৰ্থতো প্ৰয়োজনীয়। এন আৰ চি উন্নীতকৰণ হ'লেহে ৰাজনৈতিক দলসমূহে সান্দহ খোৱা বালি তল পৰিব। ৰাজনৈতিক দলসমূহে নিজ নিজ ভোটবেংক হ'লেহে ৰাজনীতিৰ বাবেই মুনাফা লুটি আছে বুলিও নেকিবুৰ জামানে প্ৰতিক্ৰিয়া ব্যক্ত কৰে। আনহাতে এন আৰ চিৰ খচৰা প্ৰকাশৰ সময়ত আইন-শৃংখলা পৰিস্থিতি মোকাবিলা কৰিবলৈ অসম আৰক্ষী সম্পূৰ্ণ সাজু বুলি ডিজিপি মুকেশ সহায়ে প্ৰকাশ কৰিছে। প্ৰয়োজনত অতিৰিক্ত কোম্পানী আনা হ'ব বুলিও ডিজিপিয়ে সংবাদ মাধ্যমক জনাইছে। এন আৰ চিত প্ৰতিজন ভাৰতীয়ৰ নাম অন্তৰ্ভুক্ত হ'ব। সেই অনুসৰি আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱা আৰু প্ৰচাৰ সম্পাদক অৰুণোদয় দহোটিয়াৰ নামো ৩১ ডিচেম্বৰৰ প্ৰকাশ পাবলগীয়া এন আৰ চিৰ খচৰাত অন্তৰ্ভুক্ত হ'ব বুলি ডিজিপি মুকেশ সহায়ে সংবাদ মাধ্যমৰ আগত অৱগত কৰে।

## বিশেষ আদালতত হাজিৰ শ্ৰীৰামপুৰ

বণ্ডেড বেৰহাউছৰ কেলেংকাৰীৰ অন্যতম অভিযুক্ত নিৰু দাস মেধিয়ে ২০১২-১৫ চনলৈ কৰ ফাঁকি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। সেই অনুসৰি যোৱা ২ ডিচেম্বৰতে চি আই ডি কাৰ্যালয়ত হাজিৰ হ'বলৈ মেধিক নিৰ্দেশ দিছিল। কিন্তু শ্ৰীৰামপুৰৰ পৰা গুৱাহাটীলৈ আহোতে যাত্ৰাপথত পথ দুৰ্ঘটনাত পতিত হৈ নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। পিছত চি আই ডি বিভাগে মঙলবাৰে চিকিৎসালয়ৰ পৰা গ্ৰেপ্তাৰ কৰে দুৰ্নীতিগ্ৰস্ত কৰ বিষয়াগৰাকীক। উল্লেখ্য যে ইতিমধ্যে বেৰহাউছৰ স্বত্বাধিকাৰী বন্তি গগৈ পেগু, সুৰা মাফিয়া ৰাজেশ জালান, আবকাৰী অধ্যক্ষ অমৰেন্দ্ৰ নাথ, আবকাৰী উপ-আয়ুক্ত প্ৰাঞ্জল বৰাক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে।

## শীঘ্ৰে জলসিঞ্চন বিভাগত নিযুক্তি শতাধিক

আৰু প্ৰশিক্ষণ কেন্দ্ৰত নিযুক্তি-পত্ৰ বিতৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অহা ৮ ডিচেম্বৰ শুকুৰবাৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলসিঞ্চন মন্ত্ৰী ৰঞ্জিত দত্তই নিযুক্তি-পত্ৰ বিতৰণ কৰিব। উল্লেখ্য যে জলসিঞ্চন বিভাগত খালী থকা ১২২টা কনিষ্ঠ অভিযন্তা (অসামৰিক) পদ পূৰণৰ বাবে অসম লোকসেৱা আয়োগক বাছনি পৰীক্ষা তথা সাক্ষাৎকাৰৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। বিভাগটোত খালী থকা অন্যান্য পদসমূহো অচিৰেই পূৰণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

## জনতা ভৱনৰ বাবা চাহেবৰ প্ৰতিমূৰ্তিত

ব্ৰহ্মক প্ৰদান কৰা হয়। এই বঁটাত ফুলাম গামোচা আৰু মানপত্ৰ প্ৰদান কৰা হয়। আৰু ডাঃ সংগীতা দত্তক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা জ্যোৎস্না কে বি ৰাও। আনহাতে অসম অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাৰ উদ্যোগত দীঘলীপুখুৰীৰ পাৰত ৬২তম ড° ভীমৰাও আম্বেদকাৰৰ মহাপ্ৰয়াণ দিৱস দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰে। অনুষ্ঠানটোত অনুসূচিত জাতি যুৱ-ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা গিৰীন্দ্ৰ দাসলৈ বাবা চাহেব বঁটা প্ৰদান কৰা হয়। বঁটাত মানপত্ৰ, গামোচা আৰু ১০ হাজাৰ টকা প্ৰদান কৰা হয়। আনহাতে মন্ত্ৰী পৰিমল শুক্লবৈদ্যই জনতা ভৱনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে। উল্লেখ্য, জনতা ভৱনৰ বিশেষ কক্ষত অনুষ্ঠিত হোৱা ড° বি আৰ আম্বেদকাৰৰ ৬২ সংখ্যক মৃত্যুত মন্ত্ৰীগৰাকীয়ে মহান ব্যক্তিগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰাৰ লগতে আম্বেদকাৰৰ জীৱন-দৰ্শনৰ ওপৰতো এক বিশেষ আলোকপাত কৰে।

## কেন্দ্ৰীয় মন্ত্ৰী-২৮খন দেশৰ প্ৰতিনিধিৰ

ৰাজ্যখনে পৰিবহণ ক্ষেত্ৰত যথেষ্ট সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ পৰ্যটন উদ্যোগটোৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰি উত্তৰ-পূবৰ এয়াৰ কানেক্টিভিটীৰ ওপৰতো কেন্দ্ৰই গুৰুত্ব প্ৰদানৰ কথা সদৰী কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে উত্তৰ-পূবৰ মুঠ ৯২টা স্থানত হ'ব বিমান পৰিবহণ ব্যৱস্থা। এইক্ষেত্ৰত পৰিবহণ ব্যৱস্থাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি অনুন্নত বিমানকোঠসমূহ উন্নত মানৰ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে। যাতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন ক্ষেত্ৰখনে এক নতুন গতি লাভ কৰে। ইফালে অসমত ক্লাব মাহিন্দ্ৰাই ৰিজ'ৰ্ট স্থাপন কৰাৰ কথা সদৰী কৰি ৰাজ্যৰ পৰ্যটন মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনৰ বিকাশৰ ক্ষেত্ৰত চৰকাৰে পৰৱৰ্তী সময়ত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে। আজিৰ সংবাদ মেলত উপস্থিত থকা কেন্দ্ৰীয় পৰ্যটন সচিব ৰশ্মি বাৰ্মাই ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰখনৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰই সহায়-সহযোগিতা আগবঢ়োৱাৰ কথা সদৰী কৰে। উল্লেখ্য যে তিনি দিন ধৰি চলা ষষ্ঠ আন্তৰ্জাতিক ট্যুৰিজম মাৰ্টত ২৯খন দেশৰ ৭৬জন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে।

## সাহিত্য সভাৰ ৭৪ সংখ্যক

শদিয়াত সদৌ অসম গাঁওবুঢ়া সন্থাৰ ৩৮তম কেন্দ্ৰীয় অধিৱেশনত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ভাৰতৰ প্ৰশাসনিক পৰিকাঠামোত গাঁওবুঢ়া অনুষ্ঠান এটা অন্যতম অনুষ্ঠান। সেইবাবে চৰকাৰে গাঁওবুঢ়া অনুষ্ঠানক অধিক শক্তিশালী কৰি গঢ়ি তোলাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গাঁওবুঢ়াসকলে নিজ নিজ এলেকাত আদৰ্শ গাঁও নিৰ্মাণ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱাৰ লগতে গাঁও অঞ্চলৰ পৰা অপসংস্কৃতি, অন্ধবিশ্বাসৰ দৰে কু-সংস্কাৰ আৰু সামাজিক ব্যাধি আঁতৰ কৰাৰ বাবেও কাম কৰিব লাগিব। ৰাষ্ট্ৰীয় নাগৰিপঞ্জী উন্নীতকৰণৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক্ৰমে ৰাজ্যখনত এন আৰ চি উন্নীতকৰণৰ কাম চলি আছে। এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গাঁওবুঢ়াসকলে সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ গ্ৰামাঞ্চলত বহুতো প্ৰতিভা আছে। বিশেষকৈ ক্ৰীড়াৰ ক্ষেত্ৰত থকা প্ৰতিভাসমূহ বিকশাই তোলাৰ বাবে গাঁওবুঢ়াসকলে বিশেষ পদক্ষেপ ল'ব লাগিব। ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলৰ ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ গ্ৰামাঞ্চলৰ যুৱশক্তিক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰতো গাঁওবুঢ়াসকলে পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ধলা-শদিয়া সংযোগী ভূপেন হাজৰিকা সেতুৱে এই অঞ্চলটোৰ অৰ্থনৈতিক উত্তৰণৰ দিশত বিশেষ বৰঙনি যোগাব। অঞ্চলটোৰ আদা উৎপাদনৰ প্ৰাচুৰ্যৰ প্ৰতি লক্ষ্য ৰাখি কৃষকসকলে যাতে উচিত মূল্য লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে গাঁওবুঢ়া অনুষ্ঠানৰ দায়িত্ব বহুমুখী। অসমৰ ২৬,০০০ গাঁৱত থকা এই অনুষ্ঠানটোৰ যিবোৰ অভাৱ-অভিযোগ আছে সেইবোৰ পৰীক্ষা-নিৰীক্ষা কৰি ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিব। গাঁওবুঢ়াসকলৰ পাৰিতোষিক, চিকিৎসা ভাত্তা ইত্যাদি দাবীৰ বিষয়সমূহো শীঘ্ৰে বিবেচনা কৰি ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে নিৰ্বাচনৰ সময়ত নিয়োজিত গাঁওবুঢ়াসকলক অইন কৰ্মচাৰীৰ দৰে ভাত্তা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব। গাঁওবুঢ়াসকলে একোখন গাঁৱৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ গ্ৰামাঞ্চলসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ ক্ষেত্ৰত গঞা ৰাইজক সজাগ-সচেতন কৰি তোলাৰ ক্ষেত্ৰত তেওঁলোকে অগ্ৰণী ভূমিকা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। নিজ নিজ এলেকাৰ চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদি পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ ক্ষেত্ৰত সমন্বয়কৰ ভূমিকা ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে নিৰন্তৰ যুঁজ দি আহিছে। পঞ্চায়তৰ কাৰ্যালয়ত কোনো দুৰ্নীতিয়ে যাতে গা কৰি উঠিব নোৱাৰে তাৰ বাবে গাঁওবুঢ়াসকলে সতৰ্ক দৃষ্টি ৰাখিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আজিৰ এই অনুষ্ঠানত সাংসদদ্বয় ৰামেশ্বৰ তেলী আৰু প্ৰদান বৰুৱা, বিধায়ক বলীন চেতিয়া, গাঁওবুঢ়া সন্থাৰ সভাপতি হকেতু ছেমা, সাধাৰণ সম্পাদক ভূপেন বৰুৱা প্ৰমুখ্যে গণ্যমান্য ব্যক্তিসকল উপস্থিত আছিল। আনহাতে ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীয়ে আগন্তুক বৰ্ষৰ ১ৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ বড়োচা সমন্বয় ক্ষেত্ৰত অসম সাহিত্য সভাৰ চতুসপ্ততিতম বুঢ়ীদিহিং-বৰডুমচা অধিৱেশনৰ লাইখুঁটা স্থাপনৰ বাবে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি এই অধিৱেশনৰ সফলতা কামনা কৰি প্ৰাৰ্থনা কৰে।

## নাম সলনিৰে ছহিদ পৰিয়ালৰ

জাতীয় ছহিদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদৰ প্ৰাক্তন সম্পাদক মাণিক চন্দ্ৰ দেৱনাথে। দেৱনাথে অভিযোগ কৰা অনুসৰি ছহিদ পৰিয়ালৰ লগত সংগতি নথকা ব্যক্তিক অসম আন্দোলনৰ জাতীয় ছহিদ বনাই ২০১৪ চনত মৃত্যু হোৱা ব্যক্তিৰ নামত ৫ লাখ টকা আৰ্থিক সাহায্য আগবঢ়াইছে চৰকাৰে। মাণিক চন্দ্ৰ দেৱনাথে এই ক্ষেত্ৰত মৰিগাঁও জিলাত সংঘটিত হোৱা অনিয়মৰ তথ্য সংবাদ মাধ্যমৰ আগত উদঙাই দি কয় যে প্ৰশাসনৰ তদন্ত অবিহনেই জিলা উপায়ুক্তই অসম চুক্তি ৰূপায়ণ বিভাগলৈ প্ৰেৰণ কৰা মৰিগাঁও জিলাৰ ৬টা ছহিদ পৰিয়ালে ৫ লাখ টকাকৈ লাভ কৰাৰ আঁৰত আছে ভয়ংকৰ কেলেংকাৰী। সেই অনুসৰি ছহিদ ৰামপদ ডেকাৰ নামত অহা ধন লাভ কৰিছে মৰিগাঁৱৰ হালমাৰী গাঁৱৰ-২০১৪ চনত মৃত্যুবৰণ কৰে প্ৰয়াত ৰাম ডেকাৰ পত্নী সুজিতা ডেকাই। তদুপৰি অবিবাহিত অৱস্থাত ছহিদ হোৱা নন্দেশ্বৰ ডেকাৰ নাম সলনিৰে নন্দেশ্বৰ ডেকাৰ হৈ তেওঁৰ বিবাহিত পুত্ৰই লাভ কৰিছে। তেওঁ পুনৰ কয় যে ছহিদ সুকোমল বৰাই চৰকাৰী সাহায্যৰ ধন ৩০ হেজাৰ টকা লাভ কৰিছে সত্য, কিন্তু শেহতীয়াভাৱে ছহিদ সুকোমল বৰাৰ পৰিৱৰ্তে কোমল পাটৰ বনাই পুত্ৰ হৰেন পাটৰক আৰ্থিক সাহায্য প্ৰদানেৰে ব্যাপক অনিয়ম হোৱা বুলি অভিযোগ উত্থাপন কৰে। ইতিপূৰ্বে এই সমগ্ৰ বিষয়টোৰ সন্দৰ্ভত ৫ মে', ২০১৭ চনত তিনিটা ছহিদ পৰিয়ালক পুনৰ তদন্ত কৰাৰ সন্দৰ্ভত অসম চৰকাৰৰ চুক্তি ৰূপায়ণ বিভাগৰ সচিবলৈ পত্ৰ প্ৰেৰণ কৰে যদিও এতিয়া পৰ্যন্ত তদন্ত প্ৰক্ৰিয়া আগবঢ়া নাই। এই ক্ষেত্ৰত অসম চৰকাৰৰ লগতে অসম চুক্তি ৰূপায়ণ বিভাগ, সদৌ অসম ছাত্ৰ সন্থাক উচ্চ পৰ্যায়ৰ তদন্তৰ আহ্বান জনায়।

## কংগ্ৰেছৰ টেংকাৰৰাজৰ অৱসান

বৈতৰণী অতিক্ৰম কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। কালি সাগৰীয় ধুমুহা ওখীৰ বাবে কংগ্ৰেছৰ যুৱৰাজ ৰাহুল গান্ধীৰ নিৰ্বাচনী প্ৰচাৰ স্থগিত ৰখাৰ পাছত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ প্ৰচাৰ অভিযান আৰম্ভ কৰি দলটোক আক্ৰমণৰ লক্ষ্য হিচাপে লয়। গুজৰাটৰ ধংধুকাত নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বিজেপি দলে ৰাজ্যখনত দীৰ্ঘ সময় ধৰি কংগ্ৰেছে চলাই থকা টেংকাৰৰাজৰ অৱসান ঘটাবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰে। কংগ্ৰেছৰ সময়ছোৱাত হোৱা সীমাহীন দুৰ্নীতিৰ বিপৰীতে বিজেপি দলৰ শাসনে গুজৰাটক ভাৰতৰ শ্ৰেষ্ঠ ৰাজ্যসমূহৰ অন্যতম ৰূপে গঢ়ি তুলিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ মন্তব্য কৰে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত বিজেপি দলে আটাইকেইখন আসন অতি সহজেই দখল কৰিব বুলি দৃঢ়তা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামক লৈ কংগ্ৰেছে ৰাজনীতি কৰাৰো অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে ভাৰতক স্বাধীনতা দিয়াৰ ক্ষেত্ৰত কেৱল নেহৰু-গান্ধী পৰিয়ালৰহে ভূমিকা আছে বুলি কংগ্ৰেছ দলে ধাৰণা কৰি আহিছে। কিন্তু প্ৰকৃতাৰ্থত জনসাধাৰণেহে ভাৰতক স্বাধীনতা প্ৰদান কৰিছে। কংগ্ৰেছ দলত জৱাহৰলাল নেহৰুৰাজ আৰম্ভ হোৱাৰ পাছৰে পৰাই দেশ বিপৰীতমুখী গতিত ধাৱমান হোৱা বুলি তেওঁ অভিযোগ উত্থাপন কৰে। দেশৰ সংবিধান প্ৰণেতা ভীমৰাও ৰামজী আম্বেদকাৰক স্বীকৃতি প্ৰদান কৰাৰ বিপৰীতে দলটোৱে তেওঁক আৰু চৰ্দাৰ বল্লভভাই পেটেলক ভাৰতীয়ৰ পৰা পৃথক কৰাৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰো অভিযোগ আনে প্ৰধানমন্ত্ৰীগৰাকীয়ে। কংগ্ৰেছ দলে পৰিয়ালকেন্দ্ৰিক ৰাজনীতি কৰাৰ বিপৰীতে গুজৰাটত বিজেপি দলে মহিলা শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা আঁচনিয়ে আজি সকলোতে সমাদৰ লাভ কৰিছে বুলি তেওঁ কয়। ইছলাম ধৰ্মৰ লোকসকলৰ মাজত থকা তিনি তালাক প্ৰক্ৰিয়া আইনবিৰুদ্ধ বুলি চৰকাৰখনে স্থিতি গ্ৰহণ কৰাৰ ফলতেই আজি এই মহিলাসকলে সামাজিক ন্যায় লাভ কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে গুজৰাটত ৯ আৰু ১৪ ডিচেম্বৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৮ ডিচেম্বৰত এই নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব। ৰাজ্যখনত নিজৰ দুৰ্গ অক্ষুণ্ণ ৰখাৰ বাবে দলটোৱে তীব্ৰ প্ৰয়াস অব্যাহত ৰখা পৰিলক্ষিত হৈছে।

## শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰীৰ বিশাল

অভিযুক্ত গোবিন্দ সিংহালে মেধাৱী স্বেতা আগৰৱালক হত্যাৰ কৰাৰ কথা ইতিমধ্যে স্বীকাৰ কৰিছে। ইফালে মহানগৰীৰ কে চি দাস কমাৰ্চ কলেজৰ মেধাৱী ছাত্ৰী স্বেতা আগৰৱালক হত্যা কৰা হত্যাকাৰী গোবিন্দ সিংহালৰ ফাঁচিৰ দাবীত উক্ত কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে মহানগৰীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কে চি দাস কমাৰ্চ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ পৰা উপায়ুক্তৰ কাৰ্যালয়লৈ এক বিশাল প্ৰতিবাদী সমদল উলিয়ায়। স্বাভাৱিকতে ছাত্ৰ-ছাত্ৰীসকলৰ এই প্ৰতিবাদৰ ফলত কিছু সময়ৰ বাবে স্তব্ধ হৈ পৰে মহানগৰীৰ যান-বাহন ব্যৱস্থা। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে স্বেতাৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ বাবে উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। মন কৰিবলগীয়া কথা এয়ে যে প্ৰেমক লৈ সৃষ্টি হোৱা মতানৈক্য, তাৰ পিছত তৰ্ক-বিতৰ্কৰ অন্তত প্ৰেমিক গোবিন্দই স্বেতা আগৰৱালক হত্যা কৰা বুলি আৰক্ষীৰ আগত ইতিমধ্যে স্বীকাৰোক্তি প্ৰদান কৰিছে। আৰক্ষীয়েও সমগ্ৰ ঘটনাটো গুৰুত্ব সহকাৰে লৈ আৰু অধিক তথ্যৰ সন্ধানত জোৰদাৰ তদন্ত আৰম্ভ কৰিছে।

## ড্ৰাগ্‌ছ মাফিয়া পাখি মিঞালৈ দুৰ্বৃত্তৰ

দুৰ্বৃত্তৰ দলটোক বিচাৰি সমগ্ৰ মহানগৰীতে অনুসন্ধান চলায়। আনহাতে দুৰ্বৃত্তৰ গুলীত আঘাতপ্ৰাপ্ত ড্ৰাগ্‌ছ মাফিয়া পাখি মিঞাক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয় আৰু বৰ্তমান তেওঁ সংকটমুক্ত বুলি জানিব পৰা গৈছে।

### দুৰ্ঘটনাত জামুগুৰিহাটত দাওদাওকৈ জ্বলি উঠিল ট্ৰাক-টেংকাৰ

# অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক সাবটিলে দুই গাড়ীচালকে

**জনগণ সেৱা, নদুৱাৰ, ৬ ডিচেম্বৰ** ঃ শোণিতপুৰ জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাকোলাত কালি নিশা সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত দুজন গাড়ীচালকে জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুক সাবটি লয়। ঘটনাৰ বিৱৰণী অনুসৰি মঙলবাৰে নিশা ১০.৩০ মান বজাত জামুগুৰিহাটৰ বাকোলাৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত গুৱাহাটীৰ পৰা লখিমপুৰ অভিমুখে আহি থকা এএছ-০৭চি-৩৫৮১ নম্বৰৰ চিমেণ্ট ভৰ্তি ট্ৰাকখনে বিপৰীত দিশৰ পৰা আহি থকা এএছ-০৭চি-৭৯৬১ নম্বৰৰ টেংকাৰখনত প্ৰচণ্ড জোৰে খুন্দা মাৰে। তীব্ৰবেগী গাড়ী দুখনৰ মাজত হোৱা এই সংঘৰ্ষৰ ফলত ৰাজপথতে দাওদাওকৈ জ্বলি উঠে দুয়োখন গাড়ী। ইফালে তৎক্ষণাতে প্ৰকাণ্ড অগ্নিকুণ্ডত পৰিণত হোৱা গাড়ী দুখনৰ এই ৰূপ দেখি স্থানীয় ৰাইজৰ মাজত হুৱা-দুৱা লাগে। প্ৰত্যক্ষদৰ্শী ৰাইজে এই সন্দৰ্ভত জামুগুৰি আৰক্ষী থানাৰ লগতে জামুগুৰি অগ্নি নিৰ্বাপক বাহিনীক অৱগত কৰায়। কিছু সময়ৰ পিছতে অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ জুই নুমুৱাবলৈ চেষ্টা চলায় যদিও ভয়ংকৰ ৰূপ ধাৰণ কৰা এই জুই নিৰ্বাপণ কৰিবলৈ চাৰিখন গাড়ীক প্ৰায় চাৰি ঘণ্টাৰো অধিক সময়ৰ আৱশ্যক হয়। দুৰ্ঘটনাৰ পিছতেই দাওদাওকৈ জ্বলি উঠা চিমেণ্ট ভৰ্তি ট্ৰাকখনৰ চালক ছফিকুল আহমেদ আৰু টেংকাৰখনৰ চালক দীপক ভগৎ গাড়ীৰ ভিতৰতে সম্পূৰ্ণৰূপে ভস্মীভূত হয়। আনহাতে ট্ৰাকখনৰ হেণ্ডিমেন মুকলেশ আহমেদ প্ৰচণ্ড খুন্দাত গাড়ীৰ পৰা ছিটিকি ওলাই পৰাত প্ৰাণ ৰক্ষা পৰে। টেংকাৰখন তেলভৰ্তি নাছিল বাবেই পৰিস্থিতি অধিক ভয়ানক হোৱাৰ পৰা ৰক্ষা পৰে ঘাইপথৰ দাঁতি-কাষৰীয়া ৰাইজ। বাকোলাৰ এই স্থানত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হোৱালৈ লক্ষ্য কৰি স্থানীয় ৰাইজে জিলা প্ৰশাসনক এই স্থানত গতিৰোধক স্থাপন কৰিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে উক্ত দুৰ্ঘটনাত নিহত চালক ছফিকুলৰ ঘৰ নগাঁৱৰ ধিঙত হোৱাৰ বিপৰীতে দীপক ভগতৰ ঘৰ লখিমপুৰৰ ৰেঞ্জ ৰিজাৰ্ভত বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাটোৰ ফলত প্ৰায় ৫ ঘণ্টা ধৰি ৰাষ্ট্ৰীয় ঘাইপথছোৱাত যান-বাহনৰ চলাচলত ব্যাঘাত জন্মা পৰিলক্ষিত হয়।

### কলিতা জনগোষ্ঠী অসমীয়া জাতিৰ এটি শক্তিশালী আৰু অভিন্ন অংগ ঃ নেকিবুৰ জামান

# শিৱসাগৰত সদৌ অসম কলিতা ছাত্ৰ সন্থাৰ সপ্তম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**জনগণ সেৱা, শিৱসাগৰ, ৬ ডিচেম্বৰ** ঃ 'কলিতা জনগোষ্ঠী অসমৰ এটি শক্তিশালী আৰু অভিন্ন অংগ। এই জনগোষ্ঠীটোৱে আজি নিজাববীয়াকৈ ন্যায্য প্ৰাপ্তিৰ ক্ষেত্ৰত যি আন্দোলন কৰিবলগীয়াত পৰিছে ইয়াৰ বাবে জনপ্ৰতিনিধিসকল প্ৰকৃতাৰ্থত জগৰীয়া। যদিহে জনগোষ্ঠীসমূহক চৰকাৰে উপযুক্ত মৰ্যাদা প্ৰদান কৰিলেহেঁতেন, তেতিয়াহ'লে অন্যান্য জনগোষ্ঠীসমূহৰ লগতে আজি কলিতা জনগোষ্ঠীটোৱেও নিজৰ অধিকাৰৰ বাবে ৰাজপথলৈ ওলাই আহিবলগীয়া অৱস্থা নহ'লহেঁতেন। বিগত কংগ্ৰেছ চৰকাৰখনে অসমত সংখ্যালঘু আৰু সংখ্যাগুৰুক লৈ কেৱল ৰাজনীতিহে কৰিলে। কিন্তু সামগ্ৰিকভাৱে অসমীয়া জাতিটোৰ উন্নতিৰ বাবে কাম নকৰাৰ ফলশ্ৰুতিত আজি প্ৰতিটো জনগোষ্ঠীয়ে ন্যায্য প্ৰাপ্তিৰ ক্ষেত্ৰত আন্দোলনত নামিবলগীয়াত পৰিছে।' —আজি সদৌ অসম কলিতা ছাত্ৰ সন্থাৰ সপ্তম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত 'অসমৰ সাম্প্ৰতিক পৰিস্থিতিত খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ পথ' শীৰ্ষক আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰি ৰাজ্যখনৰ বিশিষ্ট অধিবক্তা তথা জাতীয়তাবাদী শিবিৰৰ নেতা নেকিবুৰ জামানে এইদৰে নিজৰ মন্তব্যত প্ৰকাশ কৰে। ইয়াৰ লগতে নেকিবুৰ জামানে ভাষণ প্ৰসংগত কয় যে পূৰ্বৰ পৰা ভাৰত ৰাষ্ট্ৰই অসমক বিভিন্ন প্ৰকাৰে প্ৰৱঞ্চনা কৰি আহিছে। অসমৰ সম্পদত লুণ্ঠন চলাইছে। কিন্তু অসমীয়া জাতিটোৰ প্ৰতি তেওঁলোকৰ যি দায়বদ্ধতা থাকিব লাগিছিল সেই দায়বদ্ধতা তেওঁলোকে তিলমানো পালন কৰা নাই। ভাৰত চৰকাৰৰ দ্বাৰা লক্ষ লক্ষ বাংলাদেশীক অসমত প্ৰৱেশ কৰাই অসমীয়া জাতিটোক সংখ্যালঘুত পৰিণত কৰিবলৈ চক্ৰান্ত কৰিছে। অসম যিয়েই নহওক কিয় কিন্তু ভাৰত ৰাষ্ট্ৰই ইয়াক অলপো গুৰুত্ব প্ৰদান নকৰে। বৰ্তমান অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক লৈ এটা ভীষণ ৰাজনীতি আৰম্ভ হৈছে। যিহেতু ১৯৪৬ চনৰ নাগৰিকত্ব আইন, ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত সমগ্ৰ ভাৰতবৰ্ষতে নাগৰিকপঞ্জী উন্নীতকৰণ কৰা হয় আৰু সেইসকল লোকক ভাৰতীয় নাগৰিক বুলি স্বীকৃতি দিয়া হয়। কিন্তু অসমৰ ক্ষেত্ৰত কেন্দ্ৰ চৰকাৰে যিবিলাক নীতি গ্ৰহণ কৰিছিল ইয়াৰ বাবে অসমে অসমতে সংখ্যালঘু হোৱাৰ দিশত অগ্ৰসৰ হৈছে। যিহেতু গণ সংগ্ৰাম পৰিষদৰ অসম আন্দোলনৰ ফলশ্ৰুতিত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বৰ সৈতে ভাৰত চৰকাৰৰ লগত অসম চুক্তি সম্পাদনা কৰা হৈছিল। কিন্তু ভাৰত চৰকাৰে অসমৰ এই জ্বলন্ত সমস্যাক গুৰুত্ব নিদিয়াৰ ফলশ্ৰুতিত আজিও অসম চুক্তি উপেক্ষিত হৈ ৰ'ল। অসম চুক্তিক কাৰ্যকৰী নকৰাৰ বাবেই আজি অসম বাংলাদেশীৰ বিচৰণস্থলী হৈ পৰিছে। এফালে যদি এটা পক্ষই সংখ্যালঘু লোকসকলৰ স্বাৰ্থত ৰাজনীতি কৰিছে, আনটো পক্ষ বিজেপিয়ে অসমত ৩০ লাখ হিন্দু বিদেশীক নাগৰিকত্ব দিবৰ বাবে উঠিপৰি লাগিছে। নাগৰিকপঞ্জীত জটিলতাৰ সৃষ্টি কৰিবৰ বাবে বিভিন্ন সময়ত বিভিন্ন ৰাজনৈতিক অথবা অৰাজনৈতিক নেতাসকলে কিছুমান উদ্ভট মন্তব্য প্ৰকাশ কৰি এন এৰ চিৰ উন্নীতকৰণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিব বিচাৰিছে। কিন্তু দেশৰ উচ্চতম ন্যায়ালয়ৰ কঠোৰ নিৰ্দেশৰ ফলত অহা ৩১ ডিচেম্বৰৰ নিশালৈকে ৰাজ্য চৰকাৰে নাগৰিক পঞ্জীৰ প্ৰথমখন খচৰা প্ৰস্তুত কৰি উলিয়াব লাগিব। যদি বিজেপি দলটোৱে বিচৰা ধৰণে অসমত ৩০ লাখ হিন্দু বঙালীক সংস্থাপিত কৰিব পাৰে তেতিয়াহ'লে সম্পুৰ্ণৰূপে অসমীয়া নামৰ জাতিটো অসমতে সংখ্যালঘুত পৰিণত হ'ব বুলি এক তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় নেকিবুৰ জামানে। সদৌ অসম কলিতা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি ড° দীপাংকৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰখনিত অংশ গ্ৰহণ কৰি সদৌ তাই আহোম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা অশ্বিনী কুমাৰ চেতিয়াই কয় যে 'খিলঞ্জীয়াৰ চৰকাৰ বুলি দাবী কৰা বৰ্তমান অসমত যিখন চৰকাৰ আছে এই চৰকাৰখনে নামটোহে অসম চৰকাৰ, কিন্তু কামত এইখন ভাৰতৰ চৰকাৰ। অসমৰ বিজেপি চৰকাৰে সম্প্ৰতি ভাৰত চৰকাৰৰ ওচৰত আঁঠু লৈ যি উপদেশ দিছে তাকেই মূৰ দোঁৱাই পালন কৰিছে। আমি ভাবিছিলো এইখন চৰকাৰে খিলঞ্জীয়াৰ পক্ষত থাকি কাম কৰিব। কিন্তু ক্ষমতা লাভ কৰাৰ পাছৰে পৰা চৰকাৰখনে সম্পূৰ্ণ ভাৰতীয় হৈ যোৱাৰ লগতে খিলঞ্জীয়া অসমীয়া জাতিটোকে পাহৰি পেলালে। বৰ্তমান অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক অসমৰ ৰাইজে যি জাতীয় নায়কৰ আখ্যা দিছিল প্ৰকৃতাৰ্থত আজি অসমৰ ৰাইজে উপলব্ধি কৰিছে যে সৰ্বানন্দ সোণোৱাল আচলতে এগৰাকী খলনায়কহে। বিজেপি দলটোৱে নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত অসমত এখন খিলঞ্জীয়াৰ চৰকাৰ হ'ব বুলি তেওঁলোকে যি প্ৰচাৰ চলাইছিল এয়া তেওঁলোকৰ এক ৰাজনৈতিক চক্ৰান্তহে আছিল মাথোঁ। সেয়ে সদৌ অসম কলিতা ছাত্ৰ সন্থাই খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ নামত আজি যি আলোচনা চক্ৰ অনুষ্ঠিত কৰিছে এই আলোচনা চক্ৰ সাম্প্ৰতিক সময়ত অতিকৈ প্ৰাসংগিক'। আলোচনা চক্ৰখনিত অংশ গ্ৰহণ কৰি আমছুৰ কেন্দ্ৰীয় সম্পাদক ফৰিদ ইছলাম হাজৰিকাই কয় যে 'জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে একত্ৰিত হৈ উজনি-নামনি যি ভাব মনত আছিল ইয়াক পৰিহাৰ কৰি চাওলুং ছ্যুকাফা, আজান ফকীৰ-মহাপুৰুষ শংকৰদেৱৰ আদৰ্শৰাজিৰে আগুৱাই গ'লেহে অসমীয়া জাতিটো শক্তিশালী হৈ থাকিব। যদি আমি আমাৰ মাজত বিভেদ আনিব বিচাৰোঁ তেতিয়াহ'লে অসমীয়া নামৰ জাতিটো এদিন ইতিহাসৰ পাটতহে থাকি যাব'। আলোচনা চক্ৰখনিত অংশ গ্ৰহণ কৰি ক্ৰমে কলিতা সাহিত্য সভাৰ উপদেষ্টা বিজু সেনাপতি, সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদৰ অৰূপ বৰুৱা আদি উপস্থিত থাকে। আজিৰ এই আলোচনা চক্ৰখনৰ আঁত ধৰে জিলা সভাপতি যুগান্তৰ বৰদলৈয়ে।